# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অষ্টাদশ সন্মিলনৰ আজি অন্তিম দিনা সদস্য আৰু অংশীদাৰ দেশসমূহে সৰ্বাংগীন গোলকীয় বিকাশৰ বাবে ভৱিষ্যৎ গঢ়ি তোলা বিষয়ক সত্ৰত অংশগ্ৰহণ কৰিব।

২। ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত কালি সদস্য ৰাষ্ট্ৰসমূহে সৰ্বসন্মতিক্ৰমে দিল্লী ঘোষণা পত্ৰ গ্ৰহণ কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙে ভাৰত আৰু চীনৰ সম্পৰ্কৰ বাবে কৌশলগত আৰু দীৰ্ঘকালীন দৃষ্টিভংগী গ্ৰহণ কৰা উচিত বুলি স্পষ্ট কৰিছে।

৪। নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৩৮৬ হৈছেগৈ।

*আৰু*

৫। মহিলা টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত যোৱাবাৰৰ বিজয়ী শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অষ্টাদশ সন্মিলনৰ আজি দ্বিতীয় তথা অন্তিম দিনা ব্ৰীকচৰ সদস্য আৰু অংশীদাৰ দেশসমূহে স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতা ঃ সৰ্বাংগীন গোলকীয় বিকাশৰ বাবে ভৱিষ্যৎ গঢ়ি তোলা বিষয়ক সত্ৰত অংশগ্ৰহণ কৰিব। এই সত্ৰত অংশগ্ৰহণ কৰিবলগীয়া অংশীদাৰ দেশসমূহ হৈছে বেলাৰুছ, বলিভিয়া, কাজাখস্তান, কিউবা, মালয়েছিয়া, নাইজেৰিয়া, থাইলেণ্ড, উগাণ্ডা, উজবেকিস্তান আৰু ভিয়েটনাম। এই সত্ৰৰ সামৰণিৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজখাস্তান, ফিলিপাইনছ, ইজিপ্ত, দক্ষিণ আফ্ৰিকা আৰু বুৰুন্দিৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তেওঁ লগতে নাইজেৰিয়া আৰু উগান্দাৰ উপ ৰাষ্ট্ৰপতিকো সাক্ষাৎ কৰিব।

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অষ্টাদশ সন্মিলনৰ কালি প্ৰথম দিনা সদস্য ৰাষ্ট্ৰসমূহে সৰ্বসন্মতিক্ৰমে দিল্লী ঘোষণা পত্ৰ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰথম দিনা সন্মিলনৰ অন্তিম সত্ৰৰ অন্তত এই ঘোষণা পত্ৰ গ্ৰহণ কৰাৰ প্ৰস্তাৱ দাখিল কৰে। ব্ৰীকচৰ ৰাষ্ট্ৰসমূহে আলোচনা, পৰামৰ্শ আৰু কুটনীতিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় বিবাদৰ শান্তিপূৰ্ণ সমাধানৰ ক্ষেত্ৰত তেওঁলোকৰ সংকল্পৰ কথা দোহাৰে। নেতাসকলে লগতে পশ্চিম এছিয়াৰ বৰ্ধিত উত্তেজনাৰ বিষয়ত উদ্বেগ প্ৰকাশ কৰি পৰিস্থিতি যাতে অধিক বেয়াৰ ফালে নাযায় তাৰবাবে যিমান পাৰি সংযম বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। সদস্য ৰাষ্ট্ৰসমূহে লগতে বিগত বৰ্ষৰ ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দি সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ সংকল্পৰ কথা দোহাৰে।

ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্মিলনত তেওঁৰ সামৰণি মন্তব্যত কয় যে নতুন দিল্লী ঘোষণা পত্ৰই সদস্য ৰাষ্ট্ৰসমূহৰ উমৈহতীয়া সংকল্পক স্পষ্ট দিশ প্ৰদৰ্শন কৰিব। তেওঁ কয় যে এতিয়া এই প্ৰস্তাৱসমূহক দৃঢ় ফলাফললৈ ৰূপান্তৰিত কৰাটো সদস্য ৰাষ্ট্ৰসমূহৰ উমৈহতীয়া দায়িত্ব। শ্ৰীমোদীয়ে কয় যে এই আলোচনাৰ পৰা পুৰণি প্ৰতিষ্ঠানসমূহে যে পৰিৱৰ্তিত বিশ্বক পৰিচালনা কৰিব নোৱাৰে সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ লগতে প্ৰতিনিধিত্ব, উত্তৰ দায়িত্ব আৰু নিয়ম প্ৰৱৰ্তন ব্যৱস্থাৰ সংস্কাৰ জৰুৰী হৈ পৰা বুলিও মন্তব্য কৰে।

-বাইট-মোদী-

প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষ হিচাপে আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদান, গঠনমূলক মনোভাৱ আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে সদস্য ৰাষ্ট্ৰৰ নেতাসকলৰ শলাগ লয়। ইয়াৰ পূৰ্বে সৰ্বাত্মক গোলকীয় প্ৰশাসন আৰু বহুত্ববাদৰ সুদৃঢ়কৰণ সম্পৰ্কীয় সত্ৰত উদ্বোধনী ভাষণ দি শ্ৰীমোদীয়ে প্ৰতিবছৰে অধ্যক্ষৰ দায়িত্বত থকা ৰাষ্ট্ৰ সলনি হোৱা সত্তেও ৰাষ্ট্ৰগোষ্ঠীটোৰ গতি বৰ্তাই ৰখাৰ বাবে ব্ৰীকচৰ নিৰন্তৰতা আৰু ৰূপায়ণ ব্যৱস্থাৰ প্ৰস্তাৱ দিয়ে। তেওঁ কয়, যে ব্ৰীকচ ৰাষ্ট্ৰসমূহে পৰৱৰ্তী ২০ বছৰৰ বাবে নতুন আৰু অভিলাসী কাৰ্যসূচী সন্দৰ্ভত কাম কৰা উচিত। ৰাষ্ট্ৰগোষ্ঠীটোৰ নিজা কাৰ্যব্যৱস্থাৰ জৰিয়তে এই প্ৰক্ৰিয়া আৰম্ভ হোৱা উচিত বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙে ভাৰত আৰু চীনৰ সম্পৰ্কৰ বাবে কৌশলগত আৰু দীৰ্ঘকালীন দৃষ্টিভংগী গ্ৰহণ কৰা উচিত তথা মতৰ পাৰ্থক্য বিবাদলৈ পৰিণত হোৱা উচিত নহয় বুলি স্পষ্ট কৰে। নতুন দিল্লীত অনুষ্ঠিত ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনৰ সুযোগতে দ্বিপাক্ষিক বৈঠকত মিলিত হৈ দুয়োগৰাকী নেতাই বিগত বৰ্ষৰ আগষ্টত তিয়ানজিন বৈঠকৰ পৰা বৰ্তমানলৈ ভাৰত আৰু চীনৰ দ্বিপাক্ষিক সম্পৰ্কৰ নিৰন্তৰ বিকাশক আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে দুয়ো পক্ষই পাৰস্পৰিক সন্মান, পাৰস্পৰিক সংবেদনশীলতা তথা পাৰস্পৰিক হিতসাধনৰ সিদ্ধান্তক মানি চলা উচিত। তেওঁ সীমান্ত সম্পৰ্কীয় বিষয়ত ইতিমধ্যে বিদ্যমান চুক্তি তথা বুজাবুজিৰ দিশসমূহ মানি চলাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুয়োগৰাকী নেতাই সীমা সম্পৰ্কীয় বিষয়ত উচিত আৰু উভয় গ্ৰহণ যোগ্য সংকল্পৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, দুয়োগৰাকী নেতাই আঞ্চলিক আৰু গোলকীয় প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ বাবে সহযোগিতা বৰ্তাই ৰখাৰ বিষয়ত সহমত পোষণ কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে কালি ইথিয়'পিয়া, মালয়েছিয়া আৰু ভিয়েটনামৰ প্ৰধানমন্ত্ৰীৰ লগতে আবু ধাবিৰ যুৱৰাজৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কালি তিনিদিনীয়া সূচীৰে মুম্বাইত উপস্থিত হয়। এই ভ্ৰমণকালত তেওঁ মুম্বাইৰ এছিয়াটিক ছ'চাইটি পৰিদৰ্শন কৰাৰ লগতে হিন্দী ভাষাক কেন্দ্ৰ কৰি আয়োজিত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলনত অংশগ্ৰহণ কৰিব।

এছিয়াটিক ছ'চাইটিত গৃহমন্ত্ৰীয়ে 'শ্ৰী গণেশ জ্ঞান-আৰতি'' শীৰ্ষক এক বিশেষভাৱে প্ৰস্তুত কৰা পুথিৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। তেওঁ লগতে পুথিভঁৰাল পৰিদৰ্শন কৰাৰ উপৰি পুথি সংৰক্ষণাগাৰৰ কাম-কাজ পৰীক্ষা কৰিব আৰু উপস্থিত লোকসকলক সম্বোধন কৰিব।

আজিৰ সূচী অনুসৰি শ্ৰীশ্বাহে বিকেচিৰ ভাৰত ডায়মণ্ড বাউৰ্চত এটা বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ নৱী মুম্বাইৰ ৱাশীস্থিত চিডক' প্ৰদৰ্শনী কেন্দ্ৰত ৰাজভাষা সন্মিলনত উপস্থিত থাকিব। ইয়াৰ লগতে তেওঁৰ লালবাগচা ৰাজা দৰ্শন কৰাৰো কাৰ্যসূচী আছে।

০০০০০

নেপাল আৰু তিববত সীমান্তৰ সমীপত যোৱা ২৬ আগষ্টত হিমস্খলন হৈ সৃষ্টি হোৱা আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৩৮৬ হৈছেগৈ। বানত ক্ষতিগ্ৰস্ত আঠোখন জিলাৰ পৰা এতিয়াও মৃতদেহ উদ্ধাৰ কৰি থকা হৈছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগ আশংকা হ্ৰাস আৰু ব্যৱস্থাপণা প্ৰাধিকৰণৰ তথ্য অনুসৰি বৰ্তমানলৈকে চিনাক্ত কৰা ১০৪টা মৃতদেহ পৰিয়ালৰ লোকক গতাই দিয়া হৈছে। এতিয়াও প্ৰায় ৫ হাজাৰ ১৩০ জন লোক সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে। উদ্ধাৰকাৰী বাহিনীয়ে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে আৰু বৰ্তমানলৈকে ১৩ হাজাৰ

৭০০ৰো অধিক লোকক উদ্ধাৰ কৰা হৈছে। ৰাচোৱা, নুৱাকত আৰু ধাদিং জিলাত ৩ হাজাৰ ৭০০ৰো অধিক লোক আশ্ৰয় শিবিৰত আছে।

০০০০০

ডুবাইত মহিলা টি-২০ এছিয়া কাপ ক্ৰিকেটৰ ফাইনেলত আজি ভাৰত - যোৱাবাৰৰ বিজয়ী শ্ৰীলংকাৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত এই খিতাপ অৰ্জনৰ যুঁজখন আৰম্ভ হ'ব।

সাতবাৰৰ চেম্পিয়ন ভাৰতে এ গ্ৰুপৰ তিনিওখন খেলতে জয়লাভ কৰি অপৰাজিতভাৱে ছেমি ফাইনেলত প্ৰৱেশ কৰি বাংলাদেশক ৪০ ৰাণত পৰাস্ত কৰিছিল। আনহাতে শ্ৰীলংকায়ো গ্ৰুপ পৰ্যায়ৰ আটাইকেইখন মেচত জয়ী হোৱাৰ অন্তত ছেমিফাইনেলত পাকিস্তানক চাৰি উইকেটত পৰাস্ত কৰি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে।

মহিলা এছিয়া কাপৰ ইতিহাসত সাতবাৰকৈ খিতাপ অৰ্জন কৰা ভাৰত সৰ্বাধিক সফল দল যদিও যোৱাবাৰৰ মুখামুখিত শ্ৰীলংকাই ২০২৪ চনৰ ফাইনেলত ভাৰতক পৰাস্ত কৰি প্ৰথমবাৰলৈ এছিয়া কাপ জয় কৰিছিল।

০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল অহা মঙলবাৰে আৰু তৃতীয় তথা অন্তিমখন খেল অহা বৃহস্পতিবাৰে অনুষ্ঠিত হ'ব। শ্ৰেয়াছ আয়াৰে নেতৃত্ব দিবলগীয়া ভাৰতীয় দলত তিলক বাৰ্মা সহ অধিনায়ক হিচাপে থাকিব। পেচ বলাৰ যশপ্ৰীত বুমৰাহ, অৰ্শদীপ সিং আৰু য়ছ ঠাকুৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে।

ইপিনে, উইকেট কিপাৰ-বেটাৰ সঞ্জু ছেমচনৰ দললৈ প্ৰত্যাৱৰ্তন হোৱাৰ লগতে আঘাতৰ পৰা মুক্ত হোৱাৰ পাছত স্পিনাৰ বৰুণ চক্ৰৱৰ্তীও দলত অন্তৰ্ভুক্ত হৈছে। বৈভৱ সূৰ্যবংশীৰ নামো অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

ভাৰতৰ এছ ডি প্ৰজ্বল দেৱে ফ্ৰান্সৰ কনষ্টেণ্টিন বিত'ন কৌজমিনৰ সৈতে যুটী বান্ধি ভিয়েটনামৰ ফান থিয়েটত অনুষ্ঠিত স্প'ৰ্ট ফেষ্টিভেল এ টি পি চেলেঞ্জাৰ প্ৰতিযোগিতাৰ ডাবলছৰ খিতাপ অৰ্জন কৰিছে।

শীৰ্ষ বাছনিপ্ৰাপ্ত যুটীটোৱে কালি অনুষ্ঠিত ফাইনেলত - জাপানৰ ইয়ামাট' চুইঅ'কা আৰু নাঅ'কি তাজিমাক ৬-১, ৭-৬ ছেটত পৰাস্ত কৰে। প্ৰজ্বলদেৱৰ এয়া কেৰিয়াৰৰ দ্বিতীয়টো এটিপি চেলেঞ্জাৰ ট্যুৰ ডাবলছ খিতাপ। তেওঁ ইয়াৰ পূৰ্বে ২০২৩ চনত কাজাখাস্তানৰ প্ৰেচিডেণ্টছ্ কাপত খেলুৱৈগৰাকীয়ে সতীৰ্থ ভাৰতীয় নিকি কালিয়ন্দা পুনাছাৰ সৈতে খিতাপ অৰ্জন কৰিছিল।

০০০০০

**সমাপ্ত**